



## "সহযোগিতাৰ জৰিয়তে সমৃদ্ধি"

# <u>সহযোগিতা মন্ত্ৰালয়ৰ গুৰুত্বপূৰ্ণ পদক্ষেপসমূহ</u>

## <u>(৬ জুলাই ২০২১- ১৪ জুন ২০২৩ )</u>

## <u>(A) প্ৰাথমিক সমবায় সমিতিৰ অৰ্থনৈতিক শক্তিশালীকৰণ</u>

**১। PACS অৰ্থাৎ সমবায় সমিতি সমূহক বহুমুখী কৰাৰ উদ্দেশ্যে আৰ্হি উপ-বিধিৰ (Adoption of Model Bye Law) গ্ৰহণযোগ্যতা ।**

PACS-ৰ উন্নীতকৰণৰ বাবে Model Bye Law প্ৰস্তুত কৰা হৈছিল । সকলো ৰাজ্য আৰু কন্দ্ৰীয় শাসতি অঞ্চল সমূহত ৰাষ্ট্ৰীয় ফডোৰচেন আৰু অন্যান্য অংশীদাৰসকলৰ সতৈে পৰামৰ্শ গ্ৰহণৰ পছিত সহযোগতিা মন্ত্ৰালয়ৰ দ্বাৰা আৰু ০৫ জানুৱাৰী ২০২৩

তাৰথিৰে প্ৰচাৰ কৰা হৈছিল। ইয়াৰ ফলত PACS/LAMPS ৰ উপাৰ্জনৰ উৎস বৃদ্ধি হ'ব আৰু দুগ্ধজাত সামগ্ৰী, মীন পালন, সঞ্চয় আদৰি দৰে ২৫ টাত কৈয়োৈ অধিক নতুন খণ্ডত নতুন নিযুক্তিৰ সুযোগ সৃষ্টি হ'ব। এতিয়ালৈকে, সেইবোৰ ২৩ খন ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলৰ দ্বাৰা গ্ৰহণ কৰা হৈছে আৰু আন ৰাজ্যবোৰত গ্ৰহণৰ কাম চলি আছে।

**২। Computerization জৰিয়তে PACS ক অৰ্থাৎ সমবায় সমিতি সমূহক শক্তিশালী কৰা।**

একক ৰাষ্ট্ৰীয় ছফ্টৱেৰ নেটৱৰ্কৰ জৰিয়তে মুঠ ৬৩,০০০ খন কাৰ্যকৰী PACS/ LAMPS ক NABARD বেংকৰ সৈতে সংযোগ কৰা হৈছে। এতিয়ালৈকে, ২৪ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা মুঠ ৫৮,৩৮৩ PACS ক কম্পিউটাৰ কৰণৰ প্ৰস্তাৱ প্ৰাপ্ত হৈছে। ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে হাৰ্ডৱেৰ ক্ৰয়, ডিজিটাইজেচন আৰু সমৰ্থন প্ৰণালী স্থাপনৰ বাবে ৰাজ্যসমূহক মুঠ ৪৩৭.১৭ কোটি টকা মুকলি কৰিছে। NABARD ৰ দ্বাৰা ৰাষ্ট্ৰীয় সংহত ছফ্টৱেৰ (Common Software) প্ৰস্তুত কৰা হৈছে। হাৰ্ডৱেৰ ক্ৰয় আৰু System Intrigration ৰ দ্বাৰা চূড়ান্তকৰণৰ পিছত Computerization প্ৰক্ৰিয়া আৰম্ভ হ'ব। এই পদক্ষেপৰ লগে লগেই PACS ৰ দক্ষতা আৰু স্বচ্ছতা বৃদ্ধি পাব।

## ৩। প্ৰতিখন পঞ্চায়ত/গাঁৱত বহুমুখী PACS দুগ্ধ/মীন পালন সমবায় সমিতি (২ লাখ নতুন সমবায় সমিতি ) স্থাপন কৰা ।

১৫ ফেব্ৰুৱাৰী, ২০২৩ তাৰিখে কেবিনেটে অনুমোদন জনোৱা এই আঁচনিখনত অহা ৫ বছৰত এতিয়ালৈকে সামৰি নোলোৱা পঞ্চায়ত/গাওঁসমূহত ২ লাখ নতুন বহুমুখী PACS /দুগ্ধ তথা মীন সমবায় সমিতি স্থাপনৰ লক্ষ্য গ্ৰহণ কৰিছে । ইয়াৰ অধীনত, ভাৰত চৰকাৰৰ বিভিন্ন আঁচনিসমূহ প্ৰাথমিক সমবায় সমিতিৰ পৰ্যায়ত একত্ৰিত কৰা হ'ব। এই আঁচনিৰূপায়ণৰ বাবে আন্তঃমন্ত্ৰালয় সমিতি, ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমন্বয় সমিতি, ৰাজ্যিক পৰ্যায়ৰ সমবায় উন্নয়ন সমিতি আৰু জিলা পৰ্যায়ৰ সমবায় উন্নয়ন সমিতি গঠন কৰা হৈছে। মন্ত্ৰালয়ে সকলো ৰাজ্যৰ সৈতে বৈঠক অনুষ্ঠিত কৰিছে। নতুন সমবায় সমিতি গঠণ সম্পৰ্কীয় কাৰ্য পৰিকল্পনা NABARD,NDDB আৰু NFDB ৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে আৰু ইতিমধ্যে এই পৰিকল্পনাৰ ওপৰত কাম আৰম্ভ হৈছে ।

## ৪। সমবায় খণ্ডত বিশ্বৰ সৰ্ববৃহৎ বিকেন্দ্ৰীকৃত শস্য সংৰক্ষণ কাৰ্যসূচী খাদ্য সুৰক্ষা নিশ্চিত কৰক

৩১ মে, ২০২৩ ইং তাৰিখে কেবিনেটে অনুমোদন জনোৱা এই আঁচনিৰ অধীনত, বিভিন্ন প্ৰকাৰৰ কৃষি আন্তঃগাঁথনি যেনে:- গুদাম, Custom Hiring Centre, Processing Unit, Fair Price Shop (সুলভ মূল্যৰ দোকান) ইত্যাদি। PACS ৰ পৰ্যায়ত ভাৰত চৰকাৰৰ বিভিন্ন আঁচনিৰ একত্ৰীকৰণৰ দ্বাৰা সৃষ্টি কৰা হ'ব। এই আঁচনিয়ে দেশৰ খাদ্য সুৰক্ষা নিশ্চিত কৰিব, খাদ্যশস্যৰ অপচয় হ্ৰাস কৰিব, কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ বাবে উন্নত মূল্য হ'ব আৰু PACS ৰ পৰ্যায়ত বিভিন্ন কৃষিৰ প্ৰয়োজনীয়তা পূৰণ কৰিব । এই আঁচনিৰ ৰূপায়ণ ৰাজ্যসমূহৰ সহযোগিতাত এটা Pilot Project ৰ জৰিয়তে আৰম্ভ

কৰা হৈছে,আৰু আন্তঃমন্ত্ৰালয় সমিতি,ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমন্বয় সমিতি, ৰাজ্যিক পৰ্যায়ৰ সমবায় উন্নয়ন সমিতি আৰু জিলা পৰ্যায়ৰ সমবায় উন্নয়ন সমিতিৰ দ্বাৰা সমন্বয় কৰা হ'ব।

**৫। e-Service ৰ জৰিয়তে উন্নত প্ৰৱেশাধিকাৰৰ বাবে সাধাৰণ সেৱা কেন্দ্ৰ (CSC) হিচাপে PACS**

PACS ৰ জৰিয়তে CSC ৰ সেৱা প্ৰদানকৰাৰ বাবে সহযোগিতা মন্ত্ৰালয়, ইলেক্ট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰালয়,NABARD আৰু CSC e-Governance Services of India Limited ৰ মাজত ০২/০২/২০২৩ তাৰিখে এক  বুজা বুজি চুক্তি স্বাক্ষৰিত হৈছে,যাৰ পিছত এতিয়া CSC য়ে প্ৰদান কৰা ৩০০  ৰো অধিক e-Service ৰ কাম PACS এ প্ৰদান কৰিব। আজিলৈকে CSC হিচাপে ১৫,০০০ তকৈও অধিক PACS সাজু কৰি ৰখা হৈছে আৰু অন্যান্য PACS ৰ Onboarding ৰ কামো চলি আছে। সাজু হৈ থকা PACS বোৰক CSC-SPV  আৰু NABARD  দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

**৬। PACS-ৰ দ্বাৰা নতুন কৃষক উৎপাদক সংগঠন (FPO-Farmers Producers Company) গঠন কৰা** আৰু FPO আঁচনিৰ অধীনত, ১১০০ অতিৰিক্ত FPO ক PACS ৰ ভিতৰত সামৰি লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সমবায় খণ্ডত ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগম (NCDC- National Cooperative Development Council )

এতিয়া PACS সমূহে FPO বোৰক সমবায় সমিতিৰ অংশ হিচাপে গ্ৰহণ কৰি সমবায় সমিতিৰ সদস্যসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ বাবে ন্যায্য আৰু লাভজনক মূল্য প্ৰাপ্ত কৰাৰ বাবে প্ৰয়োজনীয় বজাৰ সংযোগ প্ৰদান কৰাত সহায়ক হ'ব।

## ৭। LPG গেছৰ ডিষ্ট্ৰিবিউটৰ শ্বিপৰ বাবে PACS-ৰ যোগ্যতা

পেট্ৰ'লিয়াম মন্ত্ৰালয়ে PACS সমূহক LPG অৰ্থাৎ ঘৰুৱা ৰন্ধন গেছ বিতৰকৰ বাবে যোগ্য কৰি তুলিবলৈ প্ৰয়োজনীয় নিয়ম সমূহ সংশোধন কৰি আছে। যাৰ পিছত PACS সমূহেও ঘৰুৱা ৰন্ধন গেছ ৰ বিতৰকৰ অনুজ্ঞাপত্ৰ লৈ বিতৰণ কৰিবলৈ সক্ষম হ'ব। এই কাৰ্যই PACS সমূহক তেওঁলোকৰ অৰ্থনৈতিক কাৰ্যকলাপ বৃদ্ধি কৰিবলৈ আৰু গ্ৰাম্য অঞ্চলত নতুন নিযুক্তিৰ সুযোগ সৃষ্টি কৰাৰ এক বিকল্প ব্যৱস্থা প্ৰদান কৰিব।

## ৮। PACS ৰ দ্বাৰা পৰিচালিত Bulk Consumer পেট্ৰ'ল পাম্পক Retail Outlet লৈ পৰিবৰ্ত্তিত কৰাৰ বাবে অনুমতি।

বৰ্ত্তমান ভাৰ চৰকাৰৰ পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ (ONGC) মন্ত্ৰালয়ে এক বৃহৎ পৰিমাণৰ উপভোক্তা অনুজ্ঞাপত্ৰধাৰী PACS ক Retail Outlet লৈ ৰূপান্তৰ কৰিবলৈ সন্মত হৈছে। নতুন পেট্ৰ'ল পাম্প ডিলাৰশ্বিপৰ বাবে PACS অগ্ৰাধিকাৰ দিয়া হ'ব। এনে পৰিবৰ্ত্তিত ব্যৱস্থাই PACS সমূহৰ লাভ বৃদ্ধি কৰিব আৰু গ্ৰাম্য অঞ্চলত নতুন নিযুক্তিৰ সুযোগ সৃষ্টি কৰিব।

## ৯। গ্ৰাম্য পৰ্যায়ত Generic Medicine ৰ প্ৰৱেশাধিকাৰ ৰ বাবে জন ঔষধি কেন্দ্ৰ হিচাপে PACS ক ব্যৱহাৰ কৰিব।

মাননীয় গৃহ আৰু সহযোগিতা মন্ত্ৰীৰ অধ্যক্ষতাত আৰু মাননীয় ৰাসায়নিক সাৰ মন্ত্ৰীৰ অধ্যক্ষতাত ০৬ জুন ২০২৩ ইং তাৰিখে অনুষ্ঠিত এক বৈঠকত আগষ্ট,২০২৩ ইং তাৰিখৰ ভিতৰত ১০০০ খন জন ঔষধি কেন্দ্ৰ আৰু ২০২৩ ইং চনৰ ডিচেম্বৰ মাহৰ ভিতৰত ২০০০ খন জন ঔষধি কেন্দ্ৰৰ স্থান নিৰ্বাচন কৰি PACS ৰ জৰিয়তে মুকলি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই প্ৰচেষ্টাৰ সৈতে সাধাৰণ লোকসকলৰ বাবে ক'ম সুলভ মূল্যত Generic Medicine উপলব্ধ হ'ব। গাঁও অঞ্চলত তথা খণ্ড উন্নয়ণ বিভাগ আৰু সমূহৰ পৰা PACS সমূহে অতিৰিক্ত নিয়োগৰ সুবিধা লাভ কৰিব পাৰিব। ইয়াৰ বাবে

আগ্ৰহী PACS সমূহক চনিাক্ত কৰবি লাগবি আৰু ৰাজ্য চৰকাৰে এই ব্যৱস্থা অনলাইন যোগে ইচ্ছুক PACS সমূহক জনাই আবদেন কৰবিলৈ উৎসাহতি কৰবি লাগবি।

**১০। সাৰ বিতৰণ কেন্দ্ৰ হিচাপে PACS**

মাননীয় ৰাসায়নিক মন্ত্ৰীৰ সৈতে মাননীয় গৃহ আৰু সহযোগিতা মন্ত্ৰীৰ অধ্যক্ষতাত ০৬ জুন ২০২৩ ইং তাৰিখে অনুষ্ঠিত এক বৈঠকত সাৰ আৰু কীটনাশক দৰৱৰ বাবে PACS সমূহক কাৰ্যকৰী কৰিবলৈ খুচুৰা সাৰ বিক্ৰী কেন্দ্ৰ আৰু প্ৰধানমন্ত্ৰী কিষাণ সমৃদ্ধি কেন্দ্ৰ (PMKSK) আৰু কেমেৰাযুক্ত DRONE উদ্যোগী হিচাপে কাম কৰিবলৈ যোগ্য কৰাৰ সিদ্ধান্ত লোৱা হৈছে । এই কেমেৰাযুক্ত DRONE সমূহ সম্পত্তি জৰীপৰ বাবেও ব্যৱহাৰ কৰিব পাৰি । এই পদক্ষেপেও PACS ৰ পৰ্যায়ত কৃষকসকলৰ বাবে সাৰৰ উপলব্ধতা তথা গুণগত মানদণ্ড নিশ্চিত কৰিব আৰু PACS ৰ যোগেদি এক নতুন ব্যৱসায়ৰ সুযোগ সৃষ্টি কৰিব লগতে নিয়োগৰো নিশ্চিতি প্ৰদান কৰিব ।

**১১। PACS ৰ পৰ্যায়ত PM-KUSUM আঁচনিৰ একত্ৰীকৰণ**

দশেৰ ১৩ কোটি কৃষক সদস্যৰ সতৈে পোনপটীয়া সম্পৰ্ক থকা PACS-ৰ গাঁথনি আৰু প্ৰসাৰ,পঞ্চায়ত পৰ্যায়ত বকিন্দ্ৰেীকৃত Solar Energy প্ৰকল্প স্থাপনৰ বাবে ব্যৱহাৰ কৰবি পাৰি। ইয়াৰ সতৈে PACS ৰ সতৈে সংযুক্ত কৃষকসকলে কৃষি ডজিলে পাম্পৰ সলনি সৌৰ কৃষজি ল'টাৰ পাম্প স্থাপন কৰবি পাৰে আৰু তওেঁলোকৰ ভূমৰি চৌহদত ফটোভলি্টইেক মডউিল স্থাপন কৰি তওেঁলোকৰ শক্তি সুৰক্ষা নশ্চিতি কৰবি পাৰে, যাৰ ফলত আঁচনখিনৰ প্ৰসাৰ শষেলকৈে বৃদ্ধি হ'ব পাৰে। লগতে PACS আৰু ইয়াৰ সদস্য কৃষকসকলে উপাৰ্জনৰ বকিল্প উৎস লাভ কৰবি। সহযোগতিা মন্ত্ৰালয়ৰ দ্বাৰা এটা ধাৰণা কৰ্ম টোকা প্ৰস্তুত কৰা হছৈে আৰু এই বষিয়ত MNRE লৈ প্ৰৰেণ কৰা হছৈে আৰু মাননীয় সচবি (সহযোগতিা) ৰ বঠৈকলৈ প্ৰৰেণ কৰা হছৈেএই প্ৰস্তাৱটোৰ ওপৰত নতুন আৰু নৱীকৰণ যোগ্য শক্তিৰ আলোচনা কৰিছে ।

## (B) সমবায় সমিতিৰ বাবে আয়কৰ আইনত কিছু ৰেহাই

### ১২। সমবায় সমিতিৰ বাবে আয়কৰৰ ওপৰত থকা অতিৰিক্ত কৰ হ্ৰাস বা কৰ্তন

১ কোটি টকাৰ পৰা ১০ কোটি টকালৈ উপাৰ্জন থকা সমবায় সমিতিৰ বাবে আয়কৰ ৰ ওপৰত থকা অতিৰিক্ত কৰ কোম্পানীৰ সমান ১২% ৰ পৰা ৭% লৈ হ্ৰাস কৰা হৈছে। ই সমবায় সমিতিৰ ওপৰত আয়কৰৰ অতিৰিক্ত বোজা হ্ৰাস কৰিব আৰু সদস্যসকলৰ সুবিধাৰ বাবে কাম কৰিবলৈ সমবায় সমিতিত অধিক মূলধন উপলব্ধ হ'ব।

### ১৩। সমবায় সমিতিৰ ওপৰত নিম্নতম বৈকল্পিক কৰ (MAT) হ্ৰাস

সমবায় সমিতিৰ বাবে নিম্নতম বৈকল্পিক কৰ হাৰ ১৮•৫% ৰ পৰা ১৫% লৈ হ্ৰাস কৰা হৈছে। এই ব্যৱস্থাটোৰ সৈতে,এতিয়া এই ক্ষেত্ৰত সমবায় সমিতি আৰু কোম্পানীৰ মাজত এক সমতা আছে। ই সমবায় সমিতিসমূহক শক্তিশালী কৰিব আৰু সমবায় খণ্ড সম্প্ৰসাৰিত হ'ব।

### ১৪। PACS আৰু PCARDBs.-ৰ দ্বাৰা নগদ জমা আৰু নগদ ঋণৰ সীমা বৃদ্ধি

PACS আৰু প্ৰাথমিক সমবায়ৰ দ্বাৰা নগদ জমা আৰু নগদ ঋণৰ সীমা

কৃষি আৰু গ্ৰামোন্নয়ন বেংকসমূহ (PCARDB) প্ৰতিজন সদস্যৰ বাবে ২০০০ টকাৰ পৰা ২ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। এই ব্যৱস্থাই সমবায় সমিতি সমূহক কামকাজ কৰাত সহায় কৰিব। ইয়াৰ জৰিয়তে সমবায় সমিতি সমূহৰ ব্যৱসায় বৃদ্ধি হ'ব আৰু সমিতিৰ সদস্যসকলক লাভান্বিত কৰিব।

### ১৫। নতুনকৈ গঠণ হোৱা সমবায় সমিতি সমূহৰ বাবে কৰ হ্ৰাস

৩১ মাৰ্চ,২০২৪ ৰ সময় ছোৱাৰ ভিতৰত উৎপাদন কাৰ্য আৰম্ভ কৰা নতুনকৈ গঠণ হোৱা সমবায় সমিতিবোৰৰ ওপৰত ১৫% সম হাৰত কৰ আৰোপ কৰা হ'ব,যাৰ বিপৰীতে

পৰশিোধ কৰবি লগীয়া অতৰিক্িত কৰৰ হাৰ ৩০% লকৈে হ'ব । এই ব্যৱস্থাৰ সতৈে সমবায় সমতি আৰু কোম্পানীবোৰৰ মাজত সামঞ্জস্যতা থাকবি । ই উৎপাদন খণ্ডত এক নতুন সমবায় সমতি গঠনত উদগনি দবি।

## ১৬। নগদ ধন উলিওৱাৰ উৎসত (TDS) কৰ্তন কৰা কৰ সীমা বৃদ্ধি

২০২৩-২৪ বৰ্ষৰ কেন্দ্ৰীয় বাজেটৰ জৰিয়তে কোনো কৰ কৰ্তন নকৰাকৈ সমবায় সমিতিসমূহৰ নগদ ধন উলিওৱাৰ সীমা প্ৰতি বছৰে ১ কোটি টকাৰ পৰা ৩ কোটি টকালৈ বৃদ্ধি কৰা হৈছে । এই ব্যৱস্থাই সমবায় সমিতিৰ বাবে উৎস (TDS) ত কৰ্তন কৰা কৰৰ পৰিমাণ ৰাহি কৰিব যাক তেওঁলোকে তেওঁলোকৰ সদস্যসকলৰ সুবিধাৰ বাবে কাম কৰিবলৈ ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ব ।

## ১৭। আয়কৰ আইনৰ ধাৰা ২৬৯ ST ৰ অধীনত নগদ লেনদেনত কিছু ৰেহাই

সমবায় সমিতিয়ে গোটেই বছৰটোত বিতৰকৰ সৈতে হোৱা সকলো লেনদেনৰ বাবদ তেওঁলোকৰ সৈতে হোৱা চুক্তিৰ বাবদ ৰচিদ সহ নগদ ধন দুই লাখ টকাৰ লেনদেন কৰা 'চুক্তি'ক 'এটা অনুষ্ঠান' হিচাপে গণ্য কৰিছিল । ইয়াক কৰযোগ্য বুলি গণ্য কৰা হৈছিল আৰু ইয়াৰ ওপৰত আয়কৰ জৰিমনা আৰোপ কৰা হৈছিল । আয়কৰ বিভাগে এক বিজ্ঞপ্তি জাৰি কৰি এয়া স্পষ্ট কৰি দিছে যে এতিয়া সমবায় সমিতিয়ে তেওঁলোকৰ বিতৰকৰ সৈতে কৰা 'চুক্তি'ক 'এটা অনুষ্ঠান' হিচাপে গণ্য কৰা নহ'ব । এই স্পষ্টীকৰণৰ সতৈে সমবায় সমতিয়িে তওেঁলোকৰ বতিৰকৰ সতৈে কৰা ২ লাখতকৈে অধকি নগদ ধনৰ লনেদনে পৃথকে ববিচেনা কৰা হ'ব যাতে তওেঁলোকৰ ওপৰত আয়কৰ জৰমিনা আদায় কৰা নহয় । ইয়াৰ সৈতে ৰাজ্যিক আৰু জিলা ৰ Dairy Development Board য়ে এতিয়া বেংক বন্ধৰ সময়ত তেওঁলোকৰ বিতৰকৰ পৰা নগদ ধন প্ৰাপ্ত কৰি সদস্য গাখীৰ উৎপাদকসকলক নগদ ধন পৰিশোধ কৰিবলৈ সক্ষম হ'ব ।

## (C) সমবায় বেঙ্কবোৰে সন্মুখীন হোৱা অসুবিধাৰ নিষ্পত্তি

**১৮।** নগৰীয়া সমবায় বেঙ্কবোৰে UCB অৰ্থাৎ Urban Cooperative Bank সমূহে এতিয়া তেওঁলোকৰ ব্যৱসায় সম্প্ৰসাৰিত কৰিবলৈ নতুন শাখা খুলিবলৈ সক্ষম হ'ব।

**১৯।** Urban Cooperative Bank সমূহয়ে বাণিজ্যিক বেঙ্কৰ দৰে বকেয়া ঋণৰ এককালীন নিষ্পত্তি কৰিবলৈ সক্ষম হ'ব।

**২০।** Urban Cooperative Bank বোৰক প্ৰদান কৰা অগ্ৰাধিকাৰ খণ্ডঋণ (PSL) লক্ষ্য প্ৰাপ্ত কৰাৰ বাবে অতিৰিক্ত সময় সীমা প্ৰদান কৰা হৈছে।

**২১।** Urban Cooperative Bank সৈতে নিয়মীয়া বাৰ্তালাপৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কত একোগৰাকী Nodal Officer মনোনীত কৰা হৈছে।

**২২।** Reserve Bank of India ই Urban Cooperative Bank সমূহক আৰু তেওঁলোকৰ গ্ৰাহকসকলক দুৱাৰ-পদক্ষেপে বেঙ্কিং (Doorstep Banking) সেৱা প্ৰদান কৰাৰ অনুমতি দিছে।

**২৩।** Reserve Bank Of India ই গ্ৰাম্য আৰু নগৰ সমবায় বেংকৰ বাবে ব্যক্তিগত গৃহ ঋণৰ সীমা দুগুণতকৈও অধিক কৰিছে।

**২৪।** গ্ৰাম্য সমবায় বেঙ্কবোৰে এতিয়া বাণিজ্যিক Real Estate অৰ্থাৎ আৱাসিক খণ্ডক ঋণ দিবলৈ সক্ষম হ'ব যাৰ ফলত তেওঁলোকে তেওঁলোকৰ ব্যৱসায়ত বিচিত্ৰতা আনিব পাৰিব ।

**২৫।** সমবায় বেঙ্কবোৰক (CGTMSE) চিজিটিএমএছইৰ সদস্য ঋণ প্ৰদান প্ৰতিষ্ঠান (MLI) হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে । ইয়াৰ সৈতে এতিয়া সদস্য সমবায় বেঙ্কবোৰে প্ৰদান কৰা ঋণৰ ওপৰত ৮৫% শতাংশলৈকে বিপদাশংকা আৱৰণৰ সুবিধা ল'বলৈ সক্ষম

হ'ব। ইয়াৰ লগতে, সমবায় খণ্ডৰ উদ্যোগসমূহেও এতিয়া সমবায় বেংকৰ পৰা ৫ কোটি টকালৈকে জামানত মুক্ত ঋণ প্ৰাপ্ত কৰিবলৈ সক্ষম হ'ব।

**২৬।** আধুনিক 'আধাৰ সক্ষম পৰিশোধ প্ৰণালী'ত সমবায় বেংকসমূহক (AePS) অনবৰ্ড কৰাৰ বাবে অনুজ্ঞা পত্ৰৰ মাচুল লেনদেনৰ সংখ্যাৰ সৈতে সংযুক্ত কৰি হ্ৰাস কৰা হৈছে। ইয়াৰ উপৰিও,সমবায় বিত্তীয় প্ৰতিষ্ঠানসমূহেও প্ৰাক্-উৎপাদন পৰ্যায়ৰ প্ৰথম তিনি মাহৰ বাবে বিনামূলীয়াকৈ সুবিধাটো প্ৰাপ্ত কৰিবলৈ সক্ষম হ'ব। ইয়াৰ সৈতে, কৃষকসকলে এতিয়া তেওঁলোকৰ আঙুলিৰ ছাপৰ সৈতে তেওঁলোকৰ ঘৰত বেংকিংৰ সুবিধা প্ৰাপ্ত কৰিবলৈ সক্ষম হ'ব।

## (D) সমবায় চেনী মিলৰ পুনৰুজ্জীৱিত কৰণ

### ২৭। সমবায় খণ্ডৰ চেনী কল সমূহলৈ আয়কৰৰ পৰা ৰেহাই

সমবায় চেনী কলবোৰে কৃষকসকলক ন্যায্য আৰু লাভজনক মূল্য বা ৰাজ্যৰ পৰামৰ্শ দিয়া মূল্যলৈকে উচ্চ হাৰত কুঁহিয়াৰৰ মূল্য পৰিশোধ কৰাৰ ওপৰত অতিৰিক্ত আয়কৰ পৰিশোধ কৰিব নালাগিব। এই ব্যৱস্থাৰ সৈতে, সমবায় চেনী কলবোৰে এতিয়া তেওঁলোকৰ সদস্যসকলক কুঁহিয়াৰৰ অধিক মূল্য দিবলৈ সক্ষম হ'ব আৰু তেওঁলোকে এই উচ্চ ব্যয়ৰ ওপৰত আয়কৰ কৰ্তন লাভ কৰিব।

### ২৮। সমবায় চেনী কলৰ আয়কৰ সম্পৰ্কীয় দশক পুৰণি অমীমাংসিত সমস্যা সমূহ সমাধান কৰা

কেন্দ্ৰীয় বাজেট ২০২৩-২০২৪ বৰ্ষ-ৰ জৰিয়তে ব্যৱস্থা কৰা হৈছে যে মূল্যায়ন বৰ্ষৰ আগতে কুঁহিয়াৰ খেতিয়ক সকলক সমবায় চেনী কলৰ দ্বাৰা পৰিশোধ কৰা পৰিশোধ

২০১৬-২০১৭ বৰ্ষক ব্যয় হিচাপে দাবী কৰাৰ অনুমতি দিয়া হ'ব । ইয়াৰ দ্বাৰা, তেওঁলোকে প্ৰায় ১০,০০০ কোটি টকাৰ সকাহ লাভ কৰিবলৈ সক্ষম হ'ব । এনেদৰে কেইবা দশক ধৰি স্থগিত থকা আয়কৰ সমস্যাবোৰ সমাধান কৰিব পাৰিব ।

### ২৯। সমবায় চেনী কলবোৰ শক্তিশালী কৰাৰ বাবে NCDC ৰ জৰিয়তে ১০,০০০ কোটি টকাৰ ঋণদান আঁচনি

সহযোগিতা মন্ত্ৰালয়ে 'সমবায় চেনী কল সমূহ শক্তিশালী কৰণৰ বাবে **NCDC** ক সাহায্য প্ৰদান' নামৰ এক নতুন আঁচনি আৰম্ভ কৰিছে যাৰ অধীনত ভাৰত চৰকাৰে ২০২২-২০২৩ আৰু ২০২৩-২০২৪ বিত্তীয় বৰ্ষত **NCDC** ক ১,০০০ কোটি টকাৰ অনুদান প্ৰদান কৰিব । **NCDC** য়ে সমবায় চেনী কলসমূহক ১০,০০০ কোটি টকালৈকে ঋণ প্ৰদান কৰিবলৈ এই অনুদান ব্যৱহাৰ কৰিব, যাক তেওঁলোকে ইথানল প্ৰকল্প স্থাপন বা সহ-উৎপাদন প্ৰকল্প স্থাপন বা কাৰ্যকৰী মূলধন বা তিনিওটা উদ্দেশ্যৰ বাবে ব্যৱহাৰ কৰিবলৈ সক্ষম হ'ব ।

### ৩০। সমবায় চেনী কল আৰু কোজেন শক্তি প্ৰকল্প স্থাপনত ইথানল ক্ৰয়ত অগ্ৰাধিকাৰ

Ethanol Blending Programme ৰ (ইবিপি) অধীনত Ministry of Petrolium দ্বাৰা ইথানল ক্ৰয়ৰ বাবে সমবায় চেনী কল সমূহক ব্যক্তিগত কোম্পানীৰ সমতুল্য কৰি গঢ়ি তোলা হ'ব । কুঁহিয়াৰৰ বাগাজৰ পৰা কোজেনাৰেচন পাৱাৰ প্লাণ্ট স্থাপনকৰাৰ পৰিকল্পনাও আছে । এই পদক্ষেপবোৰৰ সৈতে, সমবায় চেনী কলৰ ব্যৱসায় সম্প্ৰসাৰিত হ'ব আৰু ইয়াৰ ফলত লাভ বৃদ্ধি পাব ।

## (E) ৰাষ্ট্ৰীয় পৰ্যায়ত তিনিটা নতুন মাল্টি-ষ্টেট চ'চাইটি (Multi State Society)

### ৩১। ৰপ্তানিৰ বাবে নতুন ৰাষ্ট্ৰীয় পৰ্যায়ৰ বহু-ৰাজ্যিক সমবায় সমিতি

Multi State Cooperative Societies Act-২০০২ ৰ অধীনত, সমবায় খণ্ডৰ পৰা ৰপ্তানিৰ প্ৰচাৰৰ বাবে এক ছাতা সংগঠন হিচাপে এক নতুন ৰাষ্ট্ৰীয় সমবায় ৰপ্তানি

লমিটিডে স্থাপন কৰা হছৈ। District, State, National Level Federation Cooperative Society আৰু Multistate Cooperative Society সমূহক প্ৰাথমকি পৰ্যায়ৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈ উনননীতকৰণ কৰা আৰু অইন সমবায় সমতিসিমূহক ইয়াৰ সদস্য হচিাপে অন্তৰ্ভূক্ত কিৰা। এনে ধৰণৰ সমবায় সমতিৰি জৰয়িতে কৃষকৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সমূহ ৰ ৰপ্তানি ব্যৱস্থা অতি সহজলভ্য কৰি গঢ়ি তোলা হ'ব আৰু কৃষকসকলে তওঁলোকৰ সামগ্ৰীৰ বাবে উচতি মূল্য লাভ কৰবি।

### ৩২। প্ৰমাণিত বীজৰ বাবে নতুন National Level Multi State Cooperative Society

National Level Multi State Cooperative Society Act-২০০২-ৰ অধীনত, এটা ব্ৰেণ্ড নামৰ অধীনত উন্নত খেতিৰ উৎপাদনক্ষম বীজৰ সংৰক্ষণ আৰু বিতৰণৰ বাবে এক নতুন **ভাৰতীয় বীজ সহকাৰী সমিতি লিমিটেড** এটা ছাটিৰি তলত এটি সংগঠন (Umbrella Organization) হচিাপে স্থাপন কৰা হছৈ। ৰাজ্য/কন্দ্ৰেীয় শাসতি অঞ্চলৰ সমবায় সমতি (প্ৰাথমকি, জলিা, ৰাজ্যকি পৰ্যায়) ইয়াৰ সদস্য হ'ব পাৰে। এনধেৰণৰ সমবায় সমতি সমূহে কৃষকসকলৰ বাবে উন্নত মানদণ্ডৰ বীজ সমূহৰ উপলব্ধতা বৃদ্ধি কিৰবি লগতে গুণগত মানদণ্ড সম্পন্ন শস্যৰ উৎপাদনশীলতা বৃদ্ধি কিৰবি আৰু কৃষকসকলৰ উপাৰ্জন বৃদ্ধি কিৰবি।

### ৩৩। জৈৱিক কৃষিৰ বাবে নতুন ৰাষ্ট্ৰীয় পৰ্যায়ৰ বহু-ৰাজ্যিক সমবায় সমিতি

National Cooperative Organic Multi State Limited আইন ২০০২-ৰ অধীনত এক Umbrella Organization অৰ্থাৎ সামূহকি সংগঠণ হচিাপে বহু ৰাজ্যকি সমবায় সমতিকি গঢ়ি তোলা হছৈে যাতে তওঁলোকে সকলোতে নজৰ দবি পাৰে ; কাৰণ সমবায় সমতি সমূহে প্ৰমাণতি আৰু প্ৰামাণকি জৈৱকি সামগ্ৰীৰ উৎপাদন বতিৰণ আৰু বপিণনৰ বাবে কাম কৰবি। জলিা তথা ৰাজ্যকি আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফডোৰচেন, Multi State Cooperative Society আৰু Farmers Producers Company সমূহকে (এফপঅি')

সামৰি ধৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমবায় সমিতিবিোৰ ইয়াৰ সদস্য হ'ব পাৰবি । ই জৰৈকি সামগ্ৰীৰ উৎপাদন বৃদ্ধি লগতে কৃষকসকলৰো লাভ বৃদ্ধি কৰবি ।

## (F) সমবায় খণ্ডত শিক্ষা আৰু প্ৰশিক্ষণ

### ৩৪। বিশ্বৰ সৰ্ববৃহৎ সমবায় বিশ্ববিদ্যালয় স্থাপন(National Cooperative University)

সমবায়ৰ বাবে **National Cooperative University** স্থাপনৰ পৰিকল্পনা কৰা হৈছে । এই বিশ্ববিদ্যালয়ৰ জৰিয়তে শিক্ষা,প্ৰশিক্ষণ,পৰামৰ্শ,গৱেষণা আৰু সমবায়ৰ সামগ্ৰিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে । এই বিশ্ববিদ্যালয়খনে প্ৰশিক্ষিত জনশক্তিৰ এক বহনক্ষম উৎস হিচাপে পৰিগণিত হ'ব লগতে মান সম্পন্ন শিক্ষা প্ৰদান নিশ্চিত কৰিব আৰু বিদ্যমান কৰ্মচাৰীসকলৰ ক্ষমতা নিৰ্মাণৰ বাবে কাম কৰিব । এই বিশ্ববিদ্যালয় খনেই হ'ব প্ৰথম খন সমবায় বিশ্ববিদ্যালয় । যি অনাগত দিনত সমবায় খণ্ডটোৰ বাবে এক মাইলৰ খুঁটি হৈ ৰ'ব ।

### ৩৫। সমবায় শিক্ষা আৰু প্ৰশিক্ষণৰ নতুন আঁচনি

Nation Council For Cooperative Training চমুকৈ NCCT হৈছে এখন স্বায়ত্ব শাসিত অনুষ্ঠান যিয়ে সমবায় খণ্ডক আৰ্থিক ভাৱে শক্তিশালী আৰু প্ৰশিক্ষিত কৰিবলৈ বছৰযোৰা বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰি আহিছে । এই সংস্থাটোৱে সমবায় সমিতিসমূহক এক শক্তিশালী অৰ্থনৈতিক প্ৰতিষ্ঠান হিচাপে গঢ়ি তোলা তথা সমবায় আন্দোলনৰ পৰিসৰ বহল আৰু শক্তিশালী কৰাৰ ক্ষেত্ৰত এক গুৰুত্ব পূৰ্ণ ভূমিকা পালন কৰি আহিছে । ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠান VAMNICOM(Vaikunth Mehta National Institute Of Cooperative Management),NCCT আৰু JCTC ৰ তৰফৰ পৰা উন্নত মান সম্পন্ন প্ৰশিক্ষণৰ আৰু গৱেষণাৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে । আগন্তুক তিনি মাহৰ বাবে বিভিন্ন কাৰ্যসূচী ৰূপায়ণৰ আঁচনি তেওঁলোকে গ্ৰহণ কৰিছে ।

## ৩৬। NCCT ৰ জৰিয়তে প্ৰশিক্ষণ আৰু সজাগতাৰ প্ৰচাৰ

সহযোগিতা মন্ত্ৰালয়ৰ অধীনৰ এক স্বায়ত্ত শাসিত ব্যৱস্থা হৈছে ৰাষ্ট্ৰীয় সমবায় প্ৰশিক্ষণ পৰিষদ চমুকৈ NCCT য়ে সমগ্ৰ দেশৰ সমবায় সমিতিৰ কৰ্মচাৰী,সদস্য আৰু পৰিষদৰ সদস্যসকলৰ বাবে সমবায় শিক্ষা আৰু প্ৰশিক্ষণ কাৰ্যসূচী আয়োজন কৰি আহিছে। যাৰ ভিতৰত আছে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সমূহৰ সমবায় বিভাগৰ কৰ্মচাৰীসকল । ই সমগ্ৰ দেশত বিয়পি থকা ইয়াৰ ২০ টা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জৰিয়তে এই কাৰ্যসূচীবোৰ পৰিচালনা কৰি আছে । যাৰ ভিতৰত VAMNICOM (Vaikunth Mehta National Cooperative Management)হৈছে এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ প্ৰতিষ্ঠান ; ইয়াৰোপৰি ১৪ খন ৰাজ্যিক পৰ্যায় আৰু ৫ টা আঞ্চলিক পৰ্যায়ৰ প্ৰতিষ্ঠান আছে। NCCT য়ে সমগ্ৰ দেশৰ সমবায় অংশগ্ৰহণকাৰী তথা শ্ৰমিক আৰু পিছোদাৰীসকলৰ বাবে ১৭৪০ টা প্ৰশিক্ষণ কাৰ্যসূচীৰ লক্ষ্যৰ বিপৰীতে ২০২২-২০২৩ বৰ্ষত ৩২৮৭ টা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰিছে । ইয়াৰোপৰি এই সময়ছোৱাত এই পৰিষদে প্ৰায় ২,০১,৫০৭ গৰাকী অংশগ্ৰহণ কাৰীক প্ৰশিক্ষণ প্ৰদান কৰিছে। যি অনুসূচী মতে ৪৩,৫০০ গৰাকী অংশগ্ৰহণ কাৰীতকৈয়ো পাঁচ গুণ অধিক। এয়া সমবায় সমিতি সমূহৰ বাবে বাবে থলুৱা ভাষাত বৃত্তিমূলক উন্নয়ন আঁচনি (Vocational Development Plan) (বিদ্যমান DPRৰ আধাৰত) NCCT ৰ সহযোগত প্ৰস্তুত কৰা হৈছে।

## (G) নতুন ৰাষ্ট্ৰীয় সহযোগিতা নীতি আৰু নতুন ৰাষ্ট্ৰীয় সমবায় তথ্য(অন্তৰ্ভূক্তি কৰণ) New National Cooperation Policy and New National Cooperative Database

### ৩৭। নতুন ৰাষ্ট্ৰীয় সহযোগিতা নীতি প্ৰস্তুত কৰা

প্ৰাক্তন কন্েদ্ৰীয় মন্ত্ৰী শ্ৰী সুৰশে প্ৰভুৰ নতেৃত্বত 'সহযোগিতাৰ জৰয়িতে সমৃদ্ধি'ৰ ধাৰণাটো উপলব্ধি কৰবিলৈ এক নতুন সহযোগিতা নীতি প্ৰস্তুত কৰাৰ বাবে বভিনি্ন ৰাজ্য আৰু সমগ্ৰ দশেৰ বশিষেজ্ঞ আৰু অংশীদাৰ সকলক লৈ ৪৯ জন সদস্যৰে গঠতি এখন বহুমুখী আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ সমতি গিঠন কৰা হছৈে। এতয়িালকৈে, বশিষেজ্ঞ সমতিৰি ৯ খন বঠৈক অনুষ্ঠতি হছৈে আৰু এই সম্বন্ধে অংশীদাৰসকলৰ সতৈে কৰা বতিং আলোচনাৰ অন্তত নতুন ৰাষ্ট্ৰীয় সহযোগিতা নীতি অনতি পলমে প্ৰস্তুত হৈ উঠবি বুলি আশা কৰা হছৈে।

### ৩৮। নতুন ৰাষ্ট্ৰীয় সমবায়ৰ তথ্য অন্তৰ্ভূক্তিকৰণ (National Cooperative Database)

ৰাজ্য চৰকাৰৰ সহায়ত সহযোগিতা মন্ত্ৰালয়ে পৰ্যায়ক্ৰমে এক বস্তিৃত তথা প্ৰামাণকি আৰু উন্নীত National Cooperative Database বকিশতি কৰাৰ কাম কৰি আছে। প্ৰথম পৰ্যায়ৰ ২৮ ফব্ৰেুৱাৰী ২০২৩ ইং তাৰখিে PACS (সমবায় সমতি সিমূহ) দুগ্ধ আৰু মীন পালনৰ প্ৰায় ২.৬৪ লাখ সমতিৰি তথ্য অন্তৰ্ভূক্ত কিৰা হছৈে। দ্বতিীয় পৰ্যায়ত ৰাষ্ট্ৰীয় সমবায় সমতিি(National Cooperative Society) আৰু Federation Cooperative Society সমূহৰ তথ্য সুকলমে অন্তৰ্ভূক্ত কৰা হছৈে। তৃতীয় পৰ্যায়ত অন্যান্য সকলো খণ্ডৰ প্ৰায় ৫.৮ লাখ সমবায় সমতিৰি সকলো তথ্য অন্তৰ্ভুক্ত কৰা হছৈে আৰু ২০২৩ জুন মাহৰ ভতিৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য ৰখা হছৈে। (ইতমিধ্যে এই কাম সম্পূৰ্ণ হৈ উঠছিে)।

## (H) GeM PORTAL ত সমবায় সমিতিসমূহক 'ক্ৰেতা' হিচাপে অন্তৰ্ভুক্ত কৰা

**৩৯।** কেন্দ্ৰীয় কেবিনেটে সমবায় সমিতিসমূহক ১ জুন ২০২২ ৰ ভিতৰত Government e-Marketplace ত অন্তৰ্ভূক্তি হ'বলৈ অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে ৬০ লাখৰ অধিক ক্ৰেতা আৰু বিক্ৰেতা সমগ্ৰ একেখন মঞ্চতে উপলব্ধ হ'ব যাৰ জৰিয়তে ৫৫০ খন সমবায় সমিতি Gem-Portal ৰ জৰিয়তে উপলব্ধ হ'ব আৰু এই কাৰ্যৰ জৰিয়তে দেশৰ অইন সমবায় সমিতি সমূহকো Gem-Portal ৰ জৰিয়তে বিক্ৰেতা হিচাপে তেওঁলোকৰ নাম সমূহ পঞ্জীয়ন কৰিবলৈ অনুপ্ৰাণিত কৰা হৈছে।

## (I) ৰাষ্ট্ৰীয় সমবায় উন্নয়ন নিগমৰ সম্প্ৰসাৰণ (NCDC-National Cooperative Development Corporation)

**৪০।** আত্মসহায়ক বা স্ব-সহায়ক গ োটসমূহৰ বাবে স্ব-শক্তকি সহয োগিতাৰ দৰে বভিনি্ন ক্ষত্ৰেত NCDC য়ে সমবায় সমতিৰি বাবে নতুনকৈ দীৰ্ঘম্যাদী আঁচনতি অন্তৰ্ভূক্তৰি বাবে ব্যৱস্থা আৰম্ভ কৰছিে। কৃষক সকলৰ বাবে দীৰ্ঘম্যাদী কৃষি ঋণ কৃষক সমবায়, দুগ্ধজাত সামগ্ৰীৰ বাবে দুগ্ধজাত সমবায় আৰু মহলিা সমবায় প্ৰতষ্ঠিান আদৰি বাবে 'নন্দনিী সাহাকাৰ' আদি বভিনি্ন প্ৰকল্পৰ আৰম্ভনি কৰছিে। ২০২২-২০২৩ ৰ বত্তিীয় বৰ্ষত NCDC য়ে ১০,০২৫ ক োটি টকাৰ (অস্থায়ী) বত্তিীয় সাহায্য বতিৰণ কৰছিলি যি ২০২০-২০২১ বৰ্ষত ৪১,০২৫ ক োটি টকা বতিৰণতকৈ প্ৰায় ২০% অধকি আছলি। সমবায় খণ্ডলৈ অতি প্ৰয় োজনীয় পুঁজিৰ প্ৰবাহ বৃদ্ধি কৰাৰ বাবে NCDC য়ে ইয়াৰ দক্ষতা আৰু ভ ৌগ োলকি বস্তিাৰ বৃদ্ধি কৰি পৰৱৰ্তী পাঁচ বছৰত ঋণ বতিৰণ প্ৰতি বছৰে প্ৰায় ৩ লাখ ক োটি টকালৈ বৃদ্ধি কৰাৰ পৰকিল্পনা কৰছিে। ভাৰত বৰ্ষৰ সকল োৰাজ্য আৰু ৰাজ্যকি সমবায় সমতিয়িে NCDC ৰ পৰা ঋণৰ আঁচনি লাভ কৰবি পাৰে।

## (J) কেন্দ্ৰীয় পঞ্জীয়কৰ কাৰ্যালয় শক্তিশালী কৰা

### ৪১। কেন্দ্ৰীয় পঞ্জীয়কৰ কাৰ্যালয়ৰ কম্পিউটাৰাইজেচন(Computerization of Central Registrar's Office)

কন্েদ্ৰীয় পঞ্্জীয়কৰ কাৰ্যালয় Multi State Cooperative Societies Act-২০০২ ৰ অধীনত পৰিচালনা কৰাৰ বাবে দায়বদ্ধ। বহু-ৰাজ্যকি সমবায় সমতিিৰি বাবে ডজিটিলে পৰসি্থতিতিন্ত্ৰ সৃষ্টি কৰবিলৈ কন্েদ্ৰীয় পঞ্্জীয়কৰ কাৰ্যালয়ক Internet আৰু Computer ৰ এটা সংহত ছফ্টৱৰেৰ জৰয়িতে সংলগ্ন কৰা হছৈে। এই ছফ্টৱৰেটোৱে কন্েদ্ৰীয় পঞ্্জীয়কৰ কাৰ্যালয়ত Internet ৰ সংযোগৰ কামৰ প্ৰবাহৰ জৰয়িতে এক সময়সীমাৰ ভতিৰত আৱদেন আৰু সৱো সমূহ সম্পন্ন কৰাত সহায় কৰবি। ইয়াত OTP (One Time Password) আধাৰতি ব্যৱহাৰকাৰী পঞ্্জীয়ন, Multi State Cooperative Act-২০০২আৰু নয়িমাৱলী অনুসৰণৰ বাবে প্ৰমাণীকৰণৰ পৰীক্ষা, Video Conference ৰ জৰয়িতে আৱদেন সমূহৰ শুনানি,পঞ্্জীয়ন প্ৰমাণপত্ৰ প্ৰদান কৰা আৰু অন্যান্য যোগাযোগৰ ব্যৱস্থা সমূহ সংলগ্ন থাকবি। এই Computerization প্ৰকল্পটোৱে নতুন Multi State Cooperative Society সমূহক পঞ্্জীয়ন কৰাত গুৰুত্বপূৰ্ণ ভূমকিা গ্ৰহণ কৰবি আৰু ইয়াৰ জৰয়িতে সমবায় সমতিি সমূহৰ ব্যৱসায় সমূহক ৰাষ্ট্ৰীয় প্ৰক্ষোপটত সহজকৰি তুলবি।

### ৪২। মাল্টি-ষ্টেট কো-অপাৰেটিভ চ'চাইটিজ (সংশোধনী) বিধেয়ক(The Multi State Cooperative Cooperative Societies Act-2002 ; Amended)

The Multi State Cooperative Cooperative Societies Act-2002 ; Amended) ৰ মূল লক্ষ্য হৈছে সংবিধানৰ ৯৭-ৰ ব্যৱস্থাসমূহ অন্তৰ্ভুক্ত কৰি Multi State Cooperative Societies Act-২০০২ ক সংশোধন কৰি সমবায় সমিতি সমূহক অধিক শক্তিশালী শক্তিশালী কৰা আৰু ইয়াৰস্বচ্ছতা বৃদ্ধি কৰাৰ লগতে দায়বদ্ধতা বৃদ্ধি কৰা, নিৰ্বাচন প্ৰক্ৰিয়া উন্নত কৰা ইত্যাদি। এই বিধেয়কখন ২০২২ চনৰ ৭ ডিচেম্বৰত লোকসভাত উত্থাপন কৰা হৈছিল আৰু ২০ ডিচেম্বৰ, ২০২২ তাৰিখে দুয়োখন সদনৰ যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হৈছিল। যুটীয়া সমিতিয়ে জনোৱা অনুসৰি বিধেয়কখন বিবেচনা আৰু গৃহীত কৰাৰ জাননী ২২-০০-২০২৩ ইং তাৰিখে লোকসভাত উত্থাপন কৰা হৈছে আৰু এই বিধেয়কখন সংসদৰ আগন্তুক অধিৱেশনত বিবেচনা আৰু অনুমোদনৰ বাবে গৃহীত কৰিব লাগিব।

## (K) অন্যান্য পদক্ষেপসমূহ

### ৪৩। কৃষি আৰু গ্ৰামোন্নয়ন বেংকৰ কম্পিউটাৰকৰণ (ARDBs)

দীৰ্ঘম্যাদী সমবায় ঋণ গাঁথনি উন্নত আৰু শক্তিশালী কৰিবলৈ সমবায় মন্ত্ৰালয়ে সহযোগিতাৰে কৃষি আৰু গ্ৰামোন্নয়ন বেংক সমূহক (Agricultural And Rural Development Bank ) কম্পিউটাৰাইজেচন ৰ প্ৰকল্প ৰ ভিতৰত অন্তৰ্ভূক্ত কৰাৰ আঁচনি গ্ৰহণ কৰিছে। ইয়াৰ জৰিয়তে কম্পিউটাৰৰ হাৰ্ডৱেৰ ক্ৰয়,সামগ্ৰিক উদ্যোগ সম্পদ পৰিকল্পনা (ERP অৰ্থাৎ Enterprise Resource Planning) ৰ সমাধান কৰা ডিজিটাইজেচন কৰা লগতে প্ৰশিক্ষণ আৰু সহযোগিতা প্ৰদান কৰা,আৰু কম্পিউটাৰৰ ছফ্টৱেৰ চিষ্টেমৰ ৰক্ষণাবেক্ষণ দিয়া ইত্যাদি। এই আঁচনিত হ'বলগীয়া ব্যয়ৰ ২৫% শতাংশ ARDB য়ে বহন কৰিব আৰু বাকী ৭৫% শতাংশ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে বহন কৰিব। কম্পিউটাৰকৰণে ARDB সমূহক বিভিন্ন লাভালাভ প্ৰদান কৰিব লগতে যেনে বৰ্দ্ধিত দক্ষতা, দ্ৰুত ঋণ বিতৰণ, লেনদেনৰ ব্যয় হ্ৰাস, আৰু বৰ্দ্ধিত স্বচ্ছতা আৰু পৰিশোধৰ নিম্ন ভাৰসাম্যহীনতা ইত্যাদিয়ো প্ৰদান কৰিব।

**৪৫। চাহাৰা গ্ৰুপ অফ চচাইটিৰ বিনিয়োগকাৰীসকলক ধন ঘূৰাই দিয়া**

সহযোগিতা মন্ত্ৰালয়ৰ আবেদনৰ ওপৰত ভিত্তি কৰি মাননীয় উচ্চতম ন্যায়ালয়ে ২৯-০৩-২০২৩ তাৰিখৰ আদেশ অনুসৰি চাহাৰা গোটৰ 4 খন সমবায় সমিতিৰ (Sahara Credit Cooperative Limited ৰ জমাকৰ্তা সকলৰ বৈধ প্ৰাপ্য বিতৰণৰ বাবে চাহাৰা-ছেবি ৰিফাণ্ড একাউণ্টৰ পৰা ৫০০০ কোটি টকা Multistate Cooperative Society ৰ কেন্দ্ৰীয় পঞ্জীয়কৰ কাৰ্যালয়লৈ স্থানান্তৰ কৰিবলৈ নিৰ্দেশ দিছিল । Hamara India Credit Cooperative Society Ltd. আৰু Stars Multipurpose Cooperative Societies Limited ক Stockholding Document Management Services Limited (SDMSL) ক মাননীয় উচ্চতম ন্যায়ালয়ৰ আদেশ অনুসৰি কেন্দ্ৰীয় পঞ্জীয়কে বিতৰণ কৰাৰ বাবে ন্যায়াধীশ শ্ৰী আৰ. সুভাষ ৰেড্ডী (অৱসৰপ্ৰাপ্ত) আৰু অধিবক্তা শ্ৰী গৌৰৱ আগৰৱালৰ তত্বাৱধানত এক স্বচ্ছ ডিজিটেল প্ৰণালী (পৰ্টেল) বিকশিত কৰিবলৈ নিযুক্ত কৰা হৈছে । ৰিফাণ্ড প্ৰক্ৰিয়াৰ তত্বাৱধানৰ বাবে ওপৰোক্ত প্ৰতিখন সমিতিৰ বাবে কেন্দ্ৰীয় পঞ্জীয়কে বিশেষ কৰ্তব্যৰ চাৰিজন বিষয়াক (OSD-Officers On Special Duty) হিচাপে নিযুক্তি দিছে। এই পৰ্টেলৰ জৰিয়তে ইয়াৰ সঠিক চিনাক্ত কৰণ আৰু তেওঁলোকৰ জমা আৰু দাবীৰ প্ৰমাণ দাখিল কৰাৰ পিছত স্বচ্ছ ভাৱে সৎ জমাকৰ্তা সকলৰ সংশ্লিষ্ট বেংক একাউণ্টলৈ পৰিশোধ কৰা হ'ব । কেন্দ্ৰীয় পঞ্জীয়কৰ কাৰ্যালয়ে শীঘ্ৰেই এই সমিতি সমূহৰ বিনিয়োগকাৰী সকলক পৰ্টেলৰ জৰিয়তে ধন ঘূৰাই দিয়াৰ বাবে আবেদন কৰিবলৈ আৰু এই বিষয়ে অৱগত কৰিবলৈ এখন প্ৰেছ বিজ্ঞপ্তি জাৰি কৰাৰ কথা সদৰি কৰে।

## ৪৫। ৰাজ্য/কেন্দ্ৰীয় শাসিত অঞ্চলত সমবায় সমিতিৰ পঞ্জীয়কৰ কাৰ্যালয়ক কম্পিউটাৰকৰণৰ আঁচনি (Scheme For Computerization of Office of Registrar of Cooperative Societies in Union Territories)

সমবায় সমতি সমূহৰ বাবে ব্যৱসায় কৰাৰ সহজতা বৃদ্ধি কৰবিলৈ আৰু সকলো ৰাজ্য/কন্দ্ৰীয় শাসতি অঞ্চলত স্বচ্ছ কাগজবহীন নয়িন্ত্ৰণৰ বাবে এক ডজিটিলে পৰবিশে সৃষ্টি কৰবিলৈ সহযোগতিা মন্ত্ৰালয়ে ৰাজ্যকি পঞ্জীয়ক কাৰ্যালয়সমূহৰ কম্পউিটাৰকৰণৰ বাবে এক আঁচনি প্ৰস্তুত কৰি আছে । এই আঁচনৰি অধীনত বকিশতি ছফ্টৱৰেটো সংশ্লষি্ট ৰাজ্য/কন্দ্ৰীয় শাসতি অঞ্চলৰ সমবায় আইনৰ ভত্তিতি আধাৰতি হ'ব । মন্ত্ৰালয়ে এই আঁচনখিন প্ৰস্তুত কৰবিলৈ সকলো ৰাজ্য তথা কন্দ্ৰীয় শাসতি ৰাজ্যৰ পঞ্জীয়কৰ সতৈে আলোচনা কৰি আছে আৰু শীঘ্ৰহে ইয়াক কন্দ্ৰীয় পৃষ্ঠপোষকতাৰ আঁচনি হচিাপে প্ৰস্তাৱ কৰি গঢ়ি তুলবি ।

***

**Checked & Verified by-**

**Alakesh Chakraborty(+91-70029-02532)**

**Junior Inspector/Auditor Of**

**Assistant Registrar of Cooperative Societies**

**Golaghat-785624,Assam**